**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-09-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হিমাচল প্ৰদেশ আৰু পাঞ্জাব ভ্ৰমণ কৰি দুয়োখন ৰাজ্যৰ বান পৰিস্থিতিৰ বুজ লৈ ৰাজ্য চৰকাৰে গ্ৰহণ কৰা সাহায্য আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থাৰ পৰ্যালোচনা কৰিবলৈ লৈছে।

২। দেশৰ পঞ্চদশগৰাকী উপ-ৰাষ্ট্ৰপতি পদৰ বাবে আজি নিৰ্বাচন অনুষ্ঠিত হৈছে।

৩। নেপালত আৰম্ভ হোৱা প্ৰতিবাদী কাৰ্যসূচীৰ পৰিপ্ৰেক্ষিতত দেশখনত বসবাস কৰি থকা সকলো ভাৰতীয় নাগৰিককে চৰকাৰ-প্ৰশাসনে নিৰ্ধাৰণ কৰি দিয়া নীতি-নিৰ্দেশনা মানি চলিবলৈ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে পৰামৰ্শ আগবঢ়াইছে।

৪। মৰিচাছৰ প্ৰধানমন্ত্ৰী ডঃ নবীন চন্দ্ৰ ৰামগুলাম ৮ দিনীয়া ভ্ৰমণসূচীৰে আজি ভাৰতত উপস্থিত হৈছে।

আৰু

৫। হংকং অ'পেন বেডমিণ্টন প্ৰতিযোগিতা, ২০২৫ আজি আৰম্ভ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি হিমাচল প্ৰদেশ আৰু পাঞ্জাব ভ্ৰমণ কৰি দুয়োখন ৰাজ্যৰ বান পৰিস্থিতিৰ বুজ লোৱাৰ লগতে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা সাহায্য আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থাৰ পৰ্যালোচনা কৰিবলৈ লৈছে। এই ভ্ৰমণসূচীৰ আৰম্ভণিতে পাঠানকোটত উপস্থিত হোৱা প্ৰধানমন্ত্ৰীগৰাকীক ৰাজ্যখনৰ ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়া, ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী অমন অৰোৰা আৰু জ্যেষ্ঠ বিষয়াবৰ্গই বিমান বন্দৰত আদৰণি জনায়।

প্ৰথম পৰ্যায়ত তেওঁ হিমাচল প্ৰদেশৰ কাংৰা জিলাৰ ধৰমশালাত উপস্থিত হৈ ৰাজ্য চৰকাৰৰ এখন উচ্চ পৰ্যায়ৰ বৈঠকত অংশগ্ৰহণ কৰিব। হিমাচল প্ৰদেশৰ প্ৰশাসনৰ উচ্চস্তৰীয় বিষয়া-বৰ্গই ভাগ ল'বলগীয়া এই বৈঠকখনত অধ্যক্ষতা কৰাৰ লগতে তেওঁ দুৰ্যোগৰ কবলত পৰা স্থানীয় বাসিন্দাসকলৰ সৈতেও মত বিনিময় কৰিব। একেদৰে প্ৰধানমন্ত্ৰী মোদীয়ে উদ্ধাৰ আৰু সাহায্য অভিযানত জড়িত হৈ থকা ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী– এন ডি আৰ এফ, ৰাজ্যিক দুৰ্যোগ সহাৰি বাহিনী – এছ ডি আৰ এফ আৰু আপদা মিত্ৰ বাহিনীৰ লোকসকলকো সাক্ষাৎ কৰিব। ইয়াৰ পাছত তেওঁ আকাশমাৰ্গেৰে ভ্ৰমণ কৰি ৰাজ্যখনৰ বান আৰু ভূমিস্খলনৰ প্ৰভাৱত পৰা এলেকাসমূহ পৰিদৰ্শন কৰিব। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি ধমৰশালাকে ধৰি হিমাচল প্ৰদেশৰ বিভিন্ন অঞ্চলত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

হিমাচল প্ৰদেশ ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰীয়ে আকাশমাৰ্গেৰে পাঞ্জাবৰ বান প্ৰভাৱিত এলেকাসমূহ পৰিদৰ্শন কৰিব। বিয়লি প্ৰায় চাৰি বাজি ১৫ মিনিটত গুৰদাসপুৰত উপস্থিত হ'বলগীয়া শ্ৰী মোদীয়ে ৰাজ্য প্ৰশাসনৰ জ্যেষ্ঠ বিষয়াবৰ্গৰ সৈতে আলোচনাত ভাগ লোৱাৰ লগতে বান পৰিস্থিতিৰ পৰ্যালোচনাৰ বাবে আয়োজিত এখন বৈঠকত অধ্যক্ষতা কৰিব। একেদৰে তেওঁ গুৰদাসপুৰতো বানৰ কবলত পৰা লোকসকলৰ লগতে এন ডি আৰ এফ, এছ ডি আৰ এফ আৰু আপদামিত্ৰৰ উদ্ধাৰকাৰী দলসমূহৰ সৈতেও মত বিনিময় কৰিব। জটিল পৰিস্থিতিৰ সন্মুখীন হোৱা ৰাজ্য দুখনৰ জনসাধাৰণলৈ আগবঢ়োৱা সাহায্য আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থা পোনপটীয়াকৈ পৰ্যালোচনা কৰাৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণসূচী যুগুত কৰা হৈছে বুলি প্ৰকাশ পাইছে।

সামাজিক মাধ্যমৰ জৰিয়তে প্ৰচাৰ কৰা এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে এই জটিল পৰিস্থিতিৰ কবলত পৰা লোকসকলৰ সৈতে কেন্দ্ৰীয় চৰকাৰে কান্ধত কান্ধ মিলাই আগবাঢ়ি যাব।

ooooooooo

দেশৰ পঞ্চদশগৰাকী উপ-ৰাষ্ট্ৰপতি পদৰ বাবে আজি নিৰ্বাচন অনুষ্ঠিত হৈছে। নতুন সংসদ ভৱনত জ্যেষ্ঠ বিজেপি নেতা আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰথমে ভোটদান কৰে। কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, অশ্বিনী বৈষ্ণৱ, জিতেন্দ্ৰ সিং, প্ৰহ্লাদ যোশী, ৰাজ্য সভাৰ

উপ-সভাপতি হৰি বংশ, প্ৰাক্তন প্ৰধানমন্ত্ৰী আৰু জে ডি এছৰ সাংসদ এইচ ডি দেৱেগৌড়া, ৰাজ্যসভাৰ বিৰোধী দলপতি আৰু কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী, জ্যেষ্ঠ কংগ্ৰেছ সাংসদ ছোনিয়া গান্ধী, ডি এম কে সাংসদ দয়ানিধি মাৰান, সমাজবাদী পাৰ্টীৰ সাংসদ ৰামগোপাল যাদৱ আৰু জে ডি ইউৰ সাংসদ সঞ্জয় ঝায়ে ইতিমধ্যে ভোটদান কৰিছে। লোকসভা আৰু ৰাজ্যসভাৰ আন আন সদস্যসকলেও ভোটদান কৰিছে। বিয়লি ৫ বজাত ভোটগ্ৰহণৰ সামৰণি পৰিব। সন্ধিয়া ৬ বজাৰ পৰা ভোটগণনা কৰা হ'ব। এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণ আৰু আই এন ডি আই এ মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ বি সুদৰ্শন ৰেড্ডীয়ে উপ-ৰাষ্ট্ৰপতি পদৰ বাবে প্ৰতিদ্বন্দিতা কৰিছে। সাংবিধানিক ব্যৱস্থা অনুযায়ী লোকসভা আৰু ৰাজ্যসভাৰ সদস্যসকলক লৈ গঠিত ভোটদাতা মণ্ডলীয়ে সমানুপাতিক প্ৰতিনিধিত্বৰ আধাৰত উপ-ৰাষ্ট্ৰপতি পদৰ বাবে গোপন বেলটৰ যোগেৰে ভোটদান কৰে। বৰ্তমান লোকসভাৰ সদস্যৰ সংখ্যা হৈছে ৫৪২ আৰু ৰাজ্যসভাৰ সদস্যৰ সংখ্যা হৈছে ২৩৯। সেই অনুসৰি দুয়োখন সদনৰ মুঠ ৭৮১ গৰাকী সদস্যৰ ভিতৰত ৩৯১ গৰাকীৰ ভোট লাভ কৰা প্ৰাৰ্থীগৰাকী উপ-ৰাষ্ট্ৰপতি হিচাপে বিজয়ী হ'ব।

উল্লেখযোগ্য যে পূৰ্বৰ উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে যোৱা জুলাই মাহত পদত্যাগ কৰাৰ বাবে এই নিৰ্বাচনৰ প্ৰয়োজন হৈছে।

০০০০০০০০০

নেপালত আৰম্ভ হোৱা প্ৰতিবাদী কাৰ্যসূচীৰ পৰিপ্ৰেক্ষিতত দেশখনত বসবাস কৰি থকা সকলো ভাৰতীয় নাগৰিককে প্ৰয়োজনীয় সাৱধানতা অৱলম্বন কৰাৰ লগতে চৰকাৰ-প্ৰশাসনে নিৰ্ধাৰণ কৰি দিয়া নীতি-নিৰ্দেশনা মানি চলিবলৈ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে পৰামৰ্শ আগবঢ়াইছে। নতুন দিল্লীয়ে নেপালৰ শেহতীয়া পৰিস্থিতিৰ প্ৰতি তীক্ষ্ণ দৃষ্টিৰে নজৰ ৰাখি আহিছে বুলি উল্লেখ কৰি মন্ত্ৰালয়ে এটা বিবৃতিৰ জৰিয়তে দেশখনৰ এই পৰিস্থিতিত হোৱা প্ৰাণহানিৰ ঘটনাসমূহক লৈ দুখ ব্যক্ত কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে লগতে সংশ্লিষ্ট সকলো পক্ষকে শান্তিপূৰ্ণ পদ্ধতি আৰু আলাপ-আলোচনাৰ মাজেৰে সমস্যাসমূহৰ সমাধানৰ পথ উলিয়াবলৈ আহ্বান জনাইছে।

০০০০০০০০০

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে সামাজিক মাধ্যমৰ মঞ্চসমূহ বন্ধ কৰি দিয়াৰ বাবে নেপাল চৰকাৰে পূৰ্বে আৰোপ কৰা নিষেধাজ্ঞা বাতিল কৰিছে। উল্লেখযোগ্য যে কালি সামাজিক মাধ্যমৰ মঞ্চসমূহ বন্ধ কৰি দিয়াৰ বাবে নেপাল চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বিৰুদ্ধে নৱপ্ৰজন্মই বিক্ষোভ প্ৰদৰ্শন কৰিছিল। প্ৰশাসনে এই প্ৰতিবাদ নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা চলোৱাৰ সময়তে কেতবোৰ বিক্ষিপ্ত ঘটনা ঘটে আৰু ১৯ গৰাকী লোক নিহত হোৱাৰ লগতে ৩০০ জনতকৈও অধিক লোক আহত হয়। নেপালৰ যোগাযোগ, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী পৃথ্বী গুৰুঙে কেবিনেটৰ জৰুৰী বৈঠকৰ পাছত চৰকাৰে সামাজিক মাধ্যমৰ মঞ্চসমূহ বন্ধ কৰি দিয়াৰ পূৰ্বৰ নিৰ্দেশনা বাতিল কৰা বুলি ঘোষণা কৰে। মন্ত্ৰী গুৰুঙে কয়, যে মন্ত্ৰালয়ে সংশ্লিষ্ট সংস্থাসমূহক  জেন জি অৰ্থাৎ নৱ প্ৰজন্মৰ দাবী অনুসাৰে সামাজিক মাধ্যমসমূহ পুনৰ মুকলি কৰি দিবলৈ নিৰ্দেশনা দিছে। উল্লেখযোগ্য যে, তিনি দিন পূৰ্বে নেপাল চৰকাৰে ফে'চবুক আৰু এক্স-হেণ্ডেলকে ধৰি সামাজিক মাধ্যমৰ ২৬ খন মঞ্চ বন্ধ কৰি দিয়াৰ বাবে নিৰ্দেশ দিছিল। চৰকাৰৰ এই নিৰ্দেশনাই দেশখনৰ নৱপ্ৰজন্মৰ মাজত বিক্ষোভৰ ঢৌ তোলে। আৰক্ষী প্ৰশাসনে বিক্ষোভকাৰীসকলক দমন কৰিবলৈ পানী হিলৈ, কন্দুৱা গেছ আৰু ৰবৰৰ গুলী ব্যৱহাৰ কৰে। পাছত কেইবাজনো লোক এই ঘটনাত নিহত আৰু আহত হোৱাৰ ফলত প্ৰশাসনে পূৰ্বৰ সিদ্ধান্ত বাতিল কৰি যোৱা নিশাৰে পৰা সামাজিক মাধ্যমৰ মঞ্চসমূহ পুনৰ সক্ৰিয় কৰি দিবলৈ নিৰ্দেশ জাৰি কৰে।

০০০০০০০০০

মৰিছাছৰ প্ৰধানমন্ত্ৰী ড° নবীন চন্দ্ৰ ৰামগুলাম আৰু তেওঁৰ পত্নী বিনা ৰামগুলাম ৮ দিনীয়া ভ্ৰমণসূচীৰে আজি ভাৰতত উপস্থিত হৈছে। প্ৰধানমন্ত্ৰী ৰামগুলামৰ কাৰ্যকালত এয়া হ'ব তেওঁৰ দ্বিপাক্ষিক   কাৰ্যসূচীৰে প্ৰথমটো ভাৰত ভ্ৰমণ। ইয়াৰ পূৰ্বে ২০১৪ চনৰ মে' মাহত প্ৰধানমন্ত্ৰী ৰামগুলামে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত আছিল। প্ৰধানমন্ত্ৰী ৰামগুলামৰ এই ভ্ৰমণকালত তেওঁ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰাৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে দুয়োখন দেশৰ কৌশলগত অংশীদাৰিত্ব বৃদ্ধিৰ উদ্দেশ্যে আলোচনাত মিলিত হ'ব। ড° ৰামগুলামে মুম্বাই, বাৰানসী, অযোধ্যা আৰু তিৰুপতিও ভ্ৰমণৰ কৰিব। মুম্বাইত তেওঁ এটা

ব্যৱসায়িক অনুষ্ঠানতো উপস্থিত থাকিব। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণ্ধীৰ জয়ছোৱালে প্ৰকাশ কৰে যে এই ভ্ৰমণে ভাৰত-মৰিছাছ বৰ্ধিত কৌশলগত অংশীদাৰিত্বক শক্তিশালী কৰি তুলিব। ০০০০০

০০০০০০০০০

অপাৰেচন সিন্দূৰৰ সময়ছোৱাত সকলো ভাৰতীয় কৃত্ৰিম উপগ্ৰহই কাৰ্যক্ৰম হৈ থকাৰ লগতে প্ৰয়োজন অনুসৰি এইবোৰ ব্যৱহাৰ কৰিব পৰা হৈছিল। ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৰ অধ্যক্ষ ভি. নাৰায়ননে আজি এই কথা প্ৰকাশ কৰে।

নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত ভাষণ দি নাৰায়ণননে - ইছৰোৱে ভাৰতৰ প্ৰযুক্তিৰ দিশসমূহক কেনেদৰে শক্তিশালী কৰিছে, স্থানীয়কৰণ আৰু প্ৰযুক্তি হস্তান্তৰ বৃদ্ধি কৰিছে আৰু ভাৰতক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত মহাকাশ খণ্ডৰ নেতৃত্বৰ স্থান দিবলৈ মহাকাশ উদ্যোগীকৰণক আগুৱাই লৈ গৈছে সেই বিষয়ে আলোকপাত কৰে। অনুষ্ঠানত ভাষণ দি সেনাবাহিনীৰ মুৰব্বী জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে ভাৰতৰ সশস্ত্ৰ বাহিনীয়ে কেনেদৰে থলুৱা প্ৰতিৰক্ষা উৎপাদন, ৰপ্তানি, আৰু উদ্ভাৱনৰ জৰিয়তে বিকাশৰ সূচনা কৰি আহিছে, একে সময়তে নিৰাপত্তা আৰু ৰাষ্ট্ৰীয় আত্মনিৰ্ভৰশীলতা বৃদ্ধি কৰিছে - সেই বিষয়ে ব্যাখ্যা কৰে। সেনা প্ৰধানগৰাকীয়ে কয়, যে গ'লপোষ্ট সলনি হৈ থাকিব, কাৰণ প্ৰতিদ্বন্দ্বীয়েও নিজৰ প্ৰযুক্তি বৃদ্ধি কৰি আছে। দেশৰ প্ৰযুক্তিগত স্তৰটো বিৰোধীৰ প্ৰযুক্তিগত প্ৰভাৱক প্ৰতিহত কৰিব পৰাকৈ সততে প্ৰস্তুত হৈ থকাটো সম্পূৰ্ণৰূপে নিশ্চিত কৰিব লাগিব বুলিও তেওঁ মত প্ৰকাশ কৰে।

০০০০০০০০০

উত্তৰ প্ৰদেশৰ বান পৰিস্থিতি আজিও জটিল হৈ আছে। ৰাজ্যখনৰ বিশেষকৈ প্ৰয়াগৰাজ, আগ্ৰা আৰু মথুৰা জিলাত বানে অধিক জটিল ৰূপ ধাৰণ কৰা বুলি উল্লেখ কৰি আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিয়া মতে মথুৰা জিলাত বানৰ প্ৰভাৱ সবাতোকৈ অধিক হোৱা পৰিলক্ষিত হৈছে। যমুনা নৈৰ বানে ক্ষতিগ্ৰস্ত কৰা জিলাখনৰ ভালেমান আবাসিক এলেকা বানত বুৰ যোৱাৰ ফলত জিলা প্ৰশাসনে এনে অঞ্চলসমূহৰ বিদ্যালয় আৰু মহাবিদ্যালয়সমূহ বন্ধ ৰখাৰ কথা ঘোষণা কৰিছে। মথুৰাত কমেও পাঁচ হাজাৰ লোকে শিবিৰত আশ্ৰয় লোৱাৰ লগতে বাংকে বিহাৰী মন্দিৰলৈ যোৱা পথটো বানত বুৰ গৈছে। একেদৰে তাজমহলৰ চৌহদত যমুনা নৈৰ পানী সোমোৱাৰ লগতে অঞ্চলটোৰ আন দ এলেকাসমূহ নৈখনৰ বাঢ়নি পানীত বুৰ গৈছে। প্ৰয়াগৰাজ জিলাৰো ভালেমান অঞ্চল গংগা আৰু যমুনা – দুয়োখন নদীৰ বানৰ কবলত পৰিছে।

০০০০০০০০০

কেৰালাত আয়োজন কৰা অ'নাম উৎসৱ উদযাপনৰ চৰকাৰী কাৰ্যসূচীৰ আজি সন্ধিয়া সামৰণি পৰিব। ৰাজ্যখনৰ ৰাজ্যপাল ৰাজেন্দ্ৰ বিশ্বনাথ আৰ্লেকাৰে আজি এই উদ্দেশ্যে আয়োজন কৰা সাংস্কৃতিক শোভাযাত্ৰা পতাকা জোকাৰি উদ্বোধন কৰিব। আজি বিয়লি চাৰে চাৰি বজাত আৰম্ভ হ'বলগীয়া এই শোভাযাত্ৰাই উৎসৱৰ সামৰণিৰ পৰ্যায়ৰ সূচনা কৰিব।

আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিয়া মতে ৰাজ্যখনৰ সহস্ৰাধিক শিল্পীয়ে অংশগ্ৰহণ কৰিবলগীয়া এই সাংস্কৃতিক শোভাযাত্ৰাত কেৰালাৰ সংস্কৃতিৰ বিভিন্ন দিশৰ প্ৰতিফলন ঘটিব। তদুপৰি সেনাৰ বেণ্ডৰ লগতে ঝাৰখণ্ড, উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ, অন্ধ্ৰ প্ৰদেশ আৰু তামিলনাডুৰ শিল্পীৰ দলেও এই কাৰ্যসূচীত ভাগ ল'ব।

০০০০০০০০০

হংকং অ'পেন বেডমিন্টন প্ৰতিযোগিতা ২০২৫ আজি আৰম্ভ হ'ব। দুবাৰৰ অলিম্পিক পদক বিজয়ী পিভি সিন্ধুৱে প্ৰতিযোগিতাত ভাৰতীয় খেলুৱৈৰ দলটোক নেতৃত্ব দিব। প্ৰথমখন মেচত সিন্ধু ইউৰোপীয় চেম্পিয়নশ্বিপৰ ৰূপৰ পদক বিজয়ী ডেনমাৰ্কৰ লাইন ক্ৰিষ্টোফাৰচেনৰ মুখামুখি হ'ব। পুৰুষৰ একক শাখাত লক্ষ্য সেনে শ্ৰেষ্ঠত্ব

প্ৰদৰ্শন কৰিবলৈ চেষ্টা কৰিব। পুৰুষৰ একক শাখাত এইচ এছ প্ৰণয় আৰু আয়ুষ শ্বেট্টীয়েও খেলিব। পূৰ্বে বিশ্বৰ ১ নম্বৰ স্থানত থকা খেলুৱৈ কিদাম্বী শ্ৰীকান্তে অৰ্হতা অৰ্জন ৰাউণ্ডত থাৰুণ মান্নেপল্লীৰ বিৰুদ্ধে খেলিব। পুৰুষৰ ডাবলছত ভাৰতৰ হৈ সত্বিক সাইৰাজ ৰনকিৰেড্ডী আৰু চিৰাগ শ্বেট্টীয়ে খেলিব। ভাৰতৰ হৰিহৰণ আমছা কৰুনন আৰু ৰুবন কুমাৰ ৰেথিনা ছাবপতিয়ে বি ডব্লিউ এফ ছুপাৰ ফাইভ হাণ্ড্ৰেড প্ৰতিযোগিতাত পুৰুষৰ ডাবলছত অংশগ্ৰহণ কৰিব। মিক্সড ডাবলছ শাখাত ধ্ৰুৱ কপিলা-তানিশা ক্ৰাষ্টো আৰু ৰোহন কাপুৰ-ৰুথ্বিকা গাড্ডেৰ যুটি দুটাই খেলিব।

০০০

আবু ধাবিত আজি আৰম্ভ হ'বলগীয়া সপ্তদশ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ উদ্বোধনী মেচত আফগানিস্তানে হংকঙৰ বিৰুদ্ধে খেলিব। ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত খেলখন আৰম্ভ হ'ব। ২৮ ছেপ্টেম্বৰলৈকে চলিবলগীয়া এই প্ৰতিযোগিতাত মুঠ আঠটা দলে খিতাপ দখলৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ২০১৬ চনৰ পৰা এদিনীয়া আৰু টি-২০ ৰূপত পৰ্যায়ক্ৰমে খেলোৱা প্ৰতিযোগিতাখনত এইবাৰৰ সংস্কৰণটো টি-২০ ৰূপত খেলোৱা হ'ব। ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত কাইলৈ হ'বলগীয়া গ্ৰুপ 'এ' পৰ্যায়ৰ এখন মেচত আয়োজক সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰৰ বিৰুদ্ধে ভাৰতে অভিযান আৰম্ভ কৰিব। পাকিস্তান, ওমান আৰু সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰক গ্ৰুপ এৰ তালিকাভুক্ত কৰা হৈছে। শ্ৰীলংকা, আফগানিস্তান, হংকং আৰু বাংলাদেশ গ্ৰুপ বিৰ তালিকাভুক্ত হৈছে। ভাৰতে অন্তিমখন গ্ৰুপ পৰ্যায়ৰ খেল ১৯ ছেপ্টেম্বৰত ওমানৰ বিৰুদ্ধে খেলিব। ২০ ছেপ্টেম্বৰত প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায় আৰম্ভ হ'ব।

০০০০০

সমাপ্ত